# তেলেংগনাৰ ওপৰত ইউ পি এ ৰ আচল উদ্দেশ্য কি ?

দিনাংক- **১১ ফেব্ৰুৱাৰী ২০১৪**

অৰুণ জেটলী

ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা

বিগত এক দশকৰ পৰা ইউ পি এ চৰকাৰে তেলেংগনা বিষয়টোক লৈ ব্যৰ্থ প্ৰমাণিত হৈছে । ২০০৪ চনতে তেলেংগনা গঠনৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল । ২০০৯ চনৰ ডিচেম্বৰলৈকে দেশৰ জনসাধাৰণে এই বিষয়ে জানিব'লৈ ৰ'ব লগা হৈছিল । যেতিয়া শ্ৰীযুত পি চিদাম্বৰমে ঘোষনা কৰে যে চৰকাৰে তেলেংগণা ৰাজ্য গঠনৰ সিদ্ধান্ত লৈছে, ইয়াৰ পাছত চৰকাৰ এক খোজঁ পিছত আহি ন্যায়ধীশ কৃষ্ণাৰ কমিটিক এই সকলো বিষয় পৰীক্ষা কৰিব'লৈ গঠন কৰা হয় । এই কমিটিয়ে আজিলৈকে সিদ্ধান্ত দিয়াত অসফল হৈছে ।

২০১৩ চনত ইউ পি এ চৰকাৰে আকৌ এবাৰ তেলেংগণা ৰাজ্য গঠনৰ সিদ্ধান্ত লয় । কেন্দ্ৰীয় মন্ত্ৰীমণ্ডলে দেৰিকৈ হ'লেও ইয়াৰ সমৰ্থনতা জনায় । সংসদৰ বৰ্ত্তমান অধিবেশন সুচাৰু ৰূপত আগবঢ়া নাই । বি জে পি য়ে স্পষ্ট কৰি দিছে যে তেওঁলোকে তেলেংগণা ৰাজ্য গঠন হোৱাতো বিচাৰে । লগতে ইউ পি এ চৰকাৰক অনুৰুধ কৰিছো, এই সন্দৰ্ভত সীমানধৰাৰ জনসাধাৰণৰ কথা শুনিব লাগে । এই দুই কাৰ্য্য কঠিন অথবা অসম্ভৱ নহয় । বহুত দুখজনক যে ইউ পি চৰকাৰে এই সন্দৰ্ভত কোনো ধৰণৰ কাৰ্য্যকৰী পদক্ষেপ লোৱা নাই ।

মই পূৰ্বতে মত পোষন কৰিছো যে ইউ পি এ চৰকাৰে তেলেংগণা ৰাজ্য গঠন কৰাৰ বাবে যি পদক্ষেপ লৈছে সেইয়া এন ডি এ ৰ শাসনত ঝাৰখণ্ড, চত্তীশগড় আৰু উত্তৰাখণ্ড ৰাজ্যৰ গঠনত লোৱা পদক্ষেপৰ সম্পূৰ্ণ বিপৰীত ।

সদনৰ অধিবেশন শেষ হ'বলৈ আজিৰ পৰা মাত্ৰ ৮ দিন বাকী । আৰু কেৱল ৬ দিনহে আইনগত কাৰ্য্য সম্ভৱ হ'ব । অন্ধ্ৰপ্ৰদেশ পুন:গাঠঁনি বিধেয়ক সদনত এতিয়াও প্ৰস্তুত কৰা হোৱা নাই । শেষ মুহুৰ্ত্তটো স্পষ্ট হোৱা নাই যে সংসদৰ কোন সদনত এই বিধেয়ক প্ৰস্তুত কৰা হ'ব । এতিয়া সন্দেহ উপজিছে যে ইউ পি এ চৰকাৰে তেলেংগণা গঠনৰ বাবে লোৱা পদক্ষেপ আইনগত আৰু সাংবিধানিক হয়নে । এই বিষয়ত

পলম হোৱাৰ বাবে ইউ পি এ চৰকাৰৰ ওপৰত মোৰ সন্দেহ উপজিছে । বৰ্ত্তমান অধিবেশনত তেলেংগণা ৰাজ্য গঠন কৰাৰ উদ্দেশ্য ইউ পি এ চৰকাৰৰ নাই নেকি, যিহেতু তেওঁলোকৰ শাসনকালো সমাপ্ত হোৱাৰ পথত ।

ৰাজ্য গঠনৰ বিষয়টোৱে কঠোৰ আবেগৰ সৃষ্টি কৰিছে । ৰাজনৈতিক দ'লে এনে প্ৰতিশ্ৰুতি দিয়াৰ পাছত সম্পূৰ্ণ নকৰা অনুচিত হ'ব । ইউ পি এ চৰকাৰে তৎক্ষণাত অন্ধ্ৰপ্ৰদেশ পুনঃগাঠঁনি বিধেয়ক সংসদৰ দুই সদনত অনুমোদনৰ বাবে প্ৰস্তুত কৰোৱাব লাগে । এইয়া কৰোতে কেৱল এইয়াই সুনিশ্চিত কৰিব লাগিব যে দুই অঞ্চলৰ লোকৰ স্বাৰ্থ ৰক্ষা কৰি সাংবিধানিক মৰ্মেহে তেলেংগণা ৰাজ্য গঠন কৰা হয় । এই বিধেয়কত সহযোগিতাৰ বাবে মই আগ্ৰহী ।